CS (MAIN) Exam:2016

M-ESC-D-ASM

অসমীয়া / ASSAMESE

কাকত II / Paper II

(সাহিত্য) / (LITERATURE)

নিৰ্ধাৰিত সময় : তিনি ঘণ্টা Time Allowed : **Three** Hours	সৰ্বাধিক নম্বৰ : **250** Maximum Marks : **250**

নির্দেশনা

প্ৰশ্নৰ উত্তৰ কৰাৰ আগতে তলৰ নির্দেশনাখিনি ভালদৰে পঢ়ি লোৱা :

*প্ৰশ্নকাকত খনত **দুটা শাখাত আঠটা** প্ৰশ্ন দিয়া আছে ।*

*ইয়াৰ ভিতৰত কেৱল **পাঁচটা** প্ৰশ্নৰ উত্তৰ কৰা ।*

*প্ৰশ্ন নং. **1** আৰু **5** বাধ্যতামূলক । বাকী **তিনিটাৰ** প্ৰত্যেকটো শাখাৰ পৰা কমেও **এটাকৈ** বাচি লৈ উত্তৰ কৰা ।*

প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে ।

*প্ৰশ্নৰ উত্তৰ **অসমীয়াত** কৰা ।*

শব্দৰ সংখ্যা য'ত যিধৰণে দিয়া হৈছে, সেইধৰণে কৰা ।

প্ৰশ্নৰ উত্তৰ সমূহ ক্ৰম অনুসৰি কৰা । আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰৰো মূল্যাঙ্কন কৰা হব । প্ৰশ্ন সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰা ।

QUESTION PAPER SPECIFIC INSTRUCTIONS

Please read each of the following instructions carefully before attempting questions :

*There are **EIGHT** questions divided in **TWO SECTIONS**.*

*Candidate has to attempt **FIVE** questions in all.*

*Questions no. **1** and **5** are compulsory and out of the remaining, any **THREE** are to be attempted choosing at least **ONE** from each section.*

The number of marks carried by a question/part is indicated against it.

*Answers must be written in **ASSAMESE** (Assamese Script).*

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

Optional Province · optionalprovince.com

SECTION A

Q1. তলৰ পাঁচটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 150 টা শব্দৰ ভিতৰত লিখিব লাগিব : *10×5=50*

(a) মাধৱ কন্দলিৰ 'অযোধ্যা কাণ্ড' ৰ ৰামৰ বনগমনৰ কথাখিনি তোমাৰ ভাষাত লিখাঁ । *10*

(b) 'পাৰিজাত হৰণ' নাটৰ দুটি বিপৰীতধৰ্মী নাৰী চৰিত্ৰৰ বিশ্লেষণ আগবঢ়োৱাঁ । *10*

(c) '' 'ৰাসক্ৰীড়া' ৰ মাজেৰে মূলতঃ শ্ৰীকৃষ্ণৰ ঐশ্বৰিক মাহাত্ম্যকে প্ৰধানভাৱে ফুটাই তোলা হৈছে ।'' — কথাষাৰৰ যথাৰ্থতা প্ৰমান কৰাঁ । *10*

(d) মাধৱদেৱৰ 'ৱৰগীত'ৰ মাজেৰে শিশুকৃষ্ণৰ বাল্যকালৰ বৰ্ণনা পোৱা গ'লেও সি ভক্তিৰসলৈ উন্নীত হৈছে — কথাষাৰ বিশ্লেষণ কৰাঁ । *10*

(e) 'গুৰু-চৰিত-কথা' ত শঙ্কৰদেৱৰ জীৱনকথা কিদৰে বৰ্ণিত হৈছে লিখাঁ । *10*

Q2. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :

(a) 'ৰাজসূয় কাব্য' ত যাদৱসকলৰ ইন্দ্ৰপ্ৰস্থ যাত্ৰাৰ বৰ্ণনাত মাধৱদেৱৰ কবি-প্ৰতিভা কেনেদৰে প্ৰকাশ হৈছে আলোচনা কৰাঁ । *20*

(b) 'কথাভাগৱত' দ্বিতীয় স্কন্ধৰ তৃতীয় অধ্যায়ত ''সাধুৰ সঙ্গত হৰিকথা শুনিলে সযত্নে জ্ঞান হয় ।'' বুলি কোৱা কথাষাৰ ব্যাখ্যা কৰাঁ । *15*

(c) 'গুৰু-চৰিত-কথা' ত তৎকালীন অসমৰ সামাজিক জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে লিখাঁ । *15*

Q3. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :

(a) শঙ্কৰদেৱে 'পাৰিজাতহৰণ নাট'ৰ কাহিনীটো কোন কোন মূল গ্ৰন্থৰ পৰা গ্ৰহণ কৰিছে আৰু তেওঁ নিজস্ব নাটকীয় কলাকৌশল কিদৰে প্ৰয়োগ কৰিছে, আলোচনা কৰাঁ । *20*

(b) ৱৰগীত সমূহৰ মাজেৰে আধ্যাত্মিক ভাৱ কিদৰে প্ৰতিফলিত হৈছে মাধৱদেৱৰ ৱৰগীতৰ আধাৰত বিশ্লেষণ কৰাঁ । *15*

(c) 'কীৰ্তন ঘোষা' ৰ 'ৰাসক্ৰীড়া' অধ্যায়ত গোপীসকলৰ কৃষ্ণপ্ৰেমৰ তাৎপৰ্য্য বিচাৰ কৰাঁ । *15*

Optional Province · optionalprovince.com

Q4. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :

(a) '' 'কথা-ভাগৱত'ৰ গদ্যশৈলী অসমীয়া গদ্যৰ প্ৰথম স্তৰৰ চানেকি ।'' — কথাষাৰৰ যথাৰ্থতা প্ৰমাণ কৰাঁ । *20*

(b) 'পাৰিজাত হৰণ' নাটখনত নাৰদৰ চৰিত্ৰটোৰ মাজেৰে সমাজ-জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে লিখাঁ । *15*

(c) মাধৱ কন্দলিয়ে ৰামৰ বনগমনৰ সময়ত কৌশল্যা আৰু কৈকেয়ীৰ চৰিত্ৰ দুটাৰ কথোপকথন কিদৰে অঙ্কণ কৰিছে, আলোচনা কৰাঁ । *15*

Optional Province · optionalprovince.com

SECTION B

Q5. তলৰ পাঁচটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 150 টা শব্দৰ ভিতৰত লিখিব লাগিব : *10×5=50*

(a) বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ' ত তেওঁ শৈশৱ জীৱনৰ কথা কিদৰে বৰ্ণাইছে আলোচনা কৰাঁ । *10*

(b) 'কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা' ত ফুটি উঠা হাস্য-ব্যঙ্গৰ ছৱিখন বিৱৰি লিখাঁ । *10*

(c) 'প্ৰতিমা' কাব্যপুথিৰ মাজেৰে কবি চন্দ্ৰকুমাৰৰ কবিপ্ৰতিভা কেনেদৰে ফুটি উঠিছে লিখাঁ । *10*

(d) 'গাঁওবুঢ়া' নাটকত সেই সময়ৰ অসমৰ সামাজিক চিত্ৰ কেনেদৰে ফুটি উঠিছে লিখাঁ । *10*

(e) 'মনোমতী' উপন্যাসৰ পটভুমি আৰু চৰিত্ৰ চিত্ৰণৰ বিশেষত্ব ব্যাখ্যা কৰাঁ । *10*

Q6. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :

(a) 'পুৰুনি অসমীয়া সাহিত্য' গ্ৰন্থখনত ড. কাকতিয়ে 'বধকাব্য' শীৰ্ষক প্ৰবন্ধটোত বধকাব্যৰ মূল্যায়ন কিদৰে কৰিছে আলোচনা কৰাঁ । *20*

(b) 'কাৰেঙৰ লিগিৰী' নাটকৰ ''কাঞ্চনকুমাৰীৰ চৰিত্ৰ নিভাঁজ কেঁচা সোণৰ দৰে পৱিত্ৰ আৰু উজ্জ্বল ।'' — এই কথাষাৰৰ যথার্থতা প্ৰতিপন্ন কৰাঁ । *15*

(c) 'মৃত্যুঞ্জয়' উপন্যাস খত ভাৰতীয় স্বাধীনতা আন্দোলনৰ কোনটোদিশ প্ৰতিবিম্বিত হৈছে আলোচনা কৰাঁ । *15*

Q7. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :

(a) 'জীৱনৰ বাটত' – উপন্যাসখনৰ কমলাকান্ত আৰু ধৰনী মাষ্টৰৰ চৰিত্ৰ দুটা বিশ্লেষণ কৰাঁ । *20*

(b) 'সম্ৰাট' কবিতাৰ মাজেৰে মানুহৰ প্ৰেমৰ চিৰন্তন মহত্বৰ প্ৰতি গভীৰ আস্থা কিদৰে ফুটি উঠিছে, আলোচনা কৰাঁ । *15*

(c) ''ৰজনীকান্ত ৰৰদলৈৰ উপন্যাসসমূহৰ ভিতৰত 'মনোমতী' কে শ্ৰেষ্ঠ বুলিব পাৰি ।'' — এই কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰাঁ । *15*

Optional Province · optionalprovince.com

Q8. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :

(a) '' 'কাৰেঙৰ লিগিৰী' নাটখনত নাট্যকাৰে চৰিত্ৰ সৃষ্টিত দক্ষতাৰ পৰিচয় দিছে ।'' — এই মন্তব্যৰ যথাৰ্থতা প্ৰতিপন্ন কৰাঁ । *20*

(b) 'জীৱনৰ বাটত' উপন্যাসখনক অসমীয়া উপন্যাস সাহিত্যৰ এক মাইলৰ খুটি বুলিব পাৰি — কথাষাৰৰ যথাৰ্থতা প্ৰমাণ কৰাঁ । *15*

(c) '' 'গাঁওবুঢ়া' অসমীয়া ধেমেলীয়া নাটৰ ভিতৰত উল্লেখযোগ্য ।'' — কি কি কাৰণত এই মন্তব্য কৰা হৈছে, আলোচনা কৰাঁ । *15*

Optional Province · optionalprovince.com